# অধ্যায়-৫

# বাণিজ্যিক বেংক
# (COMMERCIAL BANK)

**বাণিজ্যিক বেংকৰ অৰ্থ** (Meaning of Commercial Bank) ঃ

বাণিজ্যিক বেংকে বিত্তীয় প্ৰতিষ্ঠানক বুজায় যি ঋণ বা বিনিয়োগৰ উদ্দেশ্যে, জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদামতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক, ড্ৰাফ্‌ট্, আদেশ বা অন্য উপায়ে তাক উলিয়াই দিয়া কাৰ্য সম্পাদন কৰে। ই পুঁজিৰ উদ্বৃত্ত ক্ষেত্ৰৰ পৰা সঞ্চয় সংগ্ৰহ কৰে আৰু এই পুঁজিবোৰ ঘাটি ক্ষেত্ৰলৈ ঋণ হিচাপে আগবঢ়ায়। বাণিজ্যিক বেংকবোৰে ঋণ, নগদ ঋণ, অধিবিকৰ্ষ আৰু বিল বাট্টাকৰণ কৰি পুঁজি ধাৰ দিয়ে। পুঁজি সংগ্ৰহ আৰু পুঁজি ধাৰে দিয়া প্ৰাথমিক কাৰ্যৰ উপৰিও, বাণিজ্যিক বেংকবোৰে বিভিন্ন আনুষাঙ্গিক সেৱা প্ৰদান কৰে, যেনে— পুঁজি স্থানান্তৰ, বৈদেশিক মুদ্ৰা সংগ্ৰহ, সুৰক্ষিত জমা লকাৰ, সদাগৰী বেংকিং ইত্যাদি। বাণিজ্যিক বেংকৰ উদাহৰণ হৈছে ভাৰতীয় ষ্টেট বেংক, চেণ্ট্ৰেল বেংক অফ্ ইণ্ডিয়া, ইউনিয়ন বেংক অফ্ ইণ্ডিয়া, এলাহাবাদ বেংক ইত্যাদি।

**বাণিজ্যিক বেংকৰ কাৰ্যসমূহ/ সেৱাসমূহ ঃ**

অৰ্থনীতিৰ পৰিৱৰ্তনশীল প্ৰয়োজনীয়তাৰ সৈতে বাণিজ্যিক বেংকৰ সেৱা সদায় সম্প্ৰসাৰিত হৈ আছে। বাণিজ্যিক বেংকৰ বিভিন্ন কাৰ্যসমূহ নিম্নলিখিত শিতানৰ অধীনত আলোচনা কৰা হ'ল।

ক) প্ৰাথমিক কাৰ্যসমূহ

খ) গৌণ কাৰ্যসমূহ আৰু

গ) আধুনিক কাৰ্যসমূহ।

এতিয়া আমি নিম্নলিখিত ধৰণে এটা এটাকৈ বাণিজ্যিক বেংকৰ কাৰ্যসমূহ আলোচনা কৰোঁ আহা।

**বাণিজ্যিক বেংকৰ প্ৰাথমিক কাৰ্যসমূহ ঃ**

এটা বাণিজ্যিক বেংকৰ প্ৰাথমিক কাৰ্যক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ হৈছে—

১) আমানত গ্ৰহণ কৰা / ধন জমা গ্ৰহণ কৰা

২) ঋণ আৰু অগ্ৰিম মঞ্জুৰ কৰা

**আমানত গ্ৰহণ কৰা / ধন জমা গ্ৰহণ কৰা ঃ**

আমানত গ্ৰহণ কৰাটো এটা বাণিজ্যিক বেংকৰ এক গুৰুত্বপূৰ্ণ প্ৰাথমিক কাৰ্য। বেংকে ইয়াৰ গ্ৰাহকৰ (ৰাইজৰ সদস্য) পৰা ধন / আমানত গ্ৰহণ কৰে।

বেংকৰ জমাবোৰ মুখ্যতঃ দুটা শ্ৰেণীত শ্ৰেণীবদ্ধ কৰা হৈছে ঃ

১) **তাগিদা / সাধনি জমা ঃ** গ্ৰাহকৰ দাবীৰ ওপৰত এই ধৰণৰ জমা পৰিশোধযোগ্য। তাগিদা / সাধনি জমাত মুখ্যতঃ নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত থাকে ঃ

ক) সঞ্চয়ী বেংক জমা

খ) চলিত জমা হিচাব

২) **ম্যাদী জমা ঃ** বেংকাৰ আৰু গ্ৰাহকৰ মাজত হোৱা সন্মতি সাপেক্ষে ম্যাদপূৰ্তিৰ তাৰিখত এই ধৰণৰ জমা পৰিশোধ কৰিব লাগিব। ম্যাদী জমাবোৰত নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত থাকে ঃ

ক) পৌনঃপুনিক জমা

খ) স্থায়ী জমা

বাণিজ্যিক বেংকৰ দ্বাৰা পৰিচালনা কৰা বিভিন্ন প্ৰকাৰৰ হিচাবৰ বিৱৰণ এই কিতাপখনৰ ৪ নম্বৰ গোটত দিয়া হৈছে। ইয়াত বিভিন্ন প্ৰকাৰৰ হিচাবৰ চমু বিৱৰণ আগবঢ়োৱা হ'ল—

১) **সঞ্চয়ী বেংক হিচাব ঃ**

সঞ্চয়ী বেংক হিচাব মুখ্যতঃ ক্ষুদ্ৰ পৰিসৰৰ সঞ্চয়কাৰীসকলৰ বাবে। সঞ্চয়ী বেংক হিচাবৰ গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে মানুহৰ সঞ্চয়ৰ অভ্যাসক উৎসাহিত কৰা। সঞ্চয়ী বেংক হিচাব ব্যক্তি, অভিভাৱক (তেওঁলোকৰ নাবালক সন্তান/ ৱাৰ্ডৰ হৈ) হিন্দু অবিভক্ত পৰিয়ালৰ কৰ্তা, সংগঠন, ন্যাস, ক্লাব আদিৰ দ্বাৰা খুলিব পাৰি। সঞ্চয়ী বেংক হিচাবৰ সূতৰ হাৰ স্থায়ী হিচাবতকৈ কম। এই হিচাববোৰত ৰখা জমাবোৰ জমাকৰ্তাৰ দাবী অনুসৰি পৰিশোধ যোগ্য।

২) **চলিত জমা হিচাব ঃ**

চলিত জমা হিচাব সাধাৰণতে ব্যৱসায়ী, ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান, কোম্পানী, উদ্যোগী, পেছাদাৰী, ঠিকাদাৰ, অনুষ্ঠান, চৰকাৰী সংস্থা / বিভাগ, সমিতি, অৱসায়ক, ন্যাস আদিৰ দ্বাৰা খোলা হয়। এইটো এটা চলমান হিচাব।

এই হিচাবত যিকোনো সময়তে টকা জমা আৰু উলিয়াব পাৰি। চলিত হিচাববোৰে হিচাবৰ ধাৰকক অধিবিকৰ্ষৰ সুবিধা প্ৰদান কৰে। সাধাৰণতে বেংকাৰ এজনে এই হিচাবত কোনো সূত নিদিয়ে। বৰঞ্চ বেংকে গ্ৰাহকৰ হিচাবৰ পৰিচালনাৰ বাবে মাচুল (fee) বা আনুষাঙ্গিক মাচুল (incidental charge) ল'ব পাৰে। চলিত হিচাবৰ উদ্দেশ্য হৈছে হিচাবৰ ধাৰকক সঘনাই ব্যৱসায় বা বিত্তীয় লেনদেন কৰিবলৈ সহায় কৰা।

৩) **পৌনঃপুনিক জমা হিচাব ঃ**

পৌনঃপুনিক জমা হিচাবত এক নিৰ্দিষ্ট ম্যাদৰ বাবে নিৰ্দিষ্ট ব্যৱধানত গ্ৰাহকে এক নিৰ্দিষ্ট পৰিমাণৰ সঞ্চয় / ধন বাধ্যতামূলকভাৱে জমা কৰিব লাগিব। ইয়াৰ উদ্দেশ্য হৈছে নিম্ন / মধ্য আয়ৰ গোটৰ লোকসকলৰ মাজত তেওঁলোকৰ ভৱিষ্যতৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে নিয়মীয়া আৰু বাধ্যতামূলক সঞ্চয় অভ্যাস গঢ়ি তোলা যেনে— উচ্চ শিক্ষা বা সন্তানৰ বিবাহ, বাহন ক্ৰয় ইত্যাদিৰ বাবে। পৌনঃপুনিক হিচাবৰ সুতৰ হাৰ সঞ্চয়ী বেংক হিচাবতকৈ বেছি কিন্তু স্থায়ী জমা হিচাবতকৈ কম।

৪) **স্থায়ী জমা হিচাব ঃ**

স্থায়ী জমা হিচাবত বেংকে এক নিৰ্দিষ্ট সময়ৰ বাবে আমানত গ্ৰহণ কৰে। জমাৰ সময়সীমা ৪৫ দিন, ৯০ দিন, ১৮০ দিন, ১ বছৰ, ৫ বছৰ ইত্যাদি হ'ব পাৰে। জমাৰ ম্যাদৰ ওপৰত নিৰ্ধাৰিত সূতসহ ম্যাদৰ অন্তত স্থায়ী জমা পৰিশোধযোগ্য। সঞ্চয় হিচাবৰ তুলনাত স্থায়ী হিচাবত বেংকে উচ্চ হাৰত সূত আদায় দিয়ে। হ্ৰস্বকালীন সময়ৰ বাবে ৰখা জমাতকৈ দীৰ্ঘকালীন সময়ৰ বাবে ৰখা জমাৰ ওপৰত অধিক সূত আদায় দিয়া হয়। সাধাৰণতে ম্যাদ উকলি যোৱাৰ আগতে স্থায়ী জমা উলিয়াব নোৱাৰি। স্থায়ী জমা হিচাবক ম্যাদী জমা হিচাব বুলিও জনা যায়।

ওপৰোক্ত প্ৰকাৰৰ হিচাবৰ উপৰিও বিভিন্ন গ্ৰাহকৰ প্ৰয়োজনীয়তা বিবেচনা কৰি বিভিন্ন বেংকে জমাৰ আন কিছুমান আঁচনিও প্ৰদান কৰে। দৈনিক সঞ্চয় আঁচনি, বীমা সংযোজিত জমা, মাহিলী উপাৰ্জন আঁচনি (এম আই এছ), নগদ প্ৰমাণপত্ৰ আঁচনি, অৱসৰ বা বাৰ্ষিক জমা ইত্যাদি।

২) **ঋণ আৰু অগ্ৰিম মঞ্জুৰ কৰা ঃ**

ঋণ আৰু অগ্ৰিম প্ৰদান কৰাটো এটা বাণিজ্যিক বেংকৰ আন এটা প্ৰাথমিক কাম। গ্ৰাহকক ঋণ দিয়াৰ বিভিন্ন পদ্ধতি বা উপায় আছে। এইবোৰ তলত আলোচনা কৰা হৈছে—

১) **ঋণ ঃ**

ঋণ হৈছে এক সন্মত সূতৰ হাৰত এক নিৰ্দিষ্ট ম্যাদৰ বাবে গ্ৰাহকক বেংকে অনুমোদন জনোৱা একমুঠ অগ্ৰিমৰ পৰিমাণ। ঋণৰ ক্ষেত্ৰত গোটেই পৰিমাণটো এবাৰত আদায় দিয়া হয়। অনুমোদিত সম্পূৰ্ণ পৰিমাণৰ ঋণৰ বাবে সূত আদায় কৰা হয়। ঋণ পূৰ্বনিৰ্ধাৰিত কিস্তিত বা এক নিৰ্দিষ্ট ম্যাদৰ সময় উকলি যোৱাৰ পিছত পৰিশোধ কৰিব পাৰি। ঋণ জামিনৰ সৈতে বা জামিন অবিহনে অনুমোদিত হ'ব পাৰে।

ঋণক (ক) হ্ৰস্বম্যাদী ঋণ, (খ) মধ্যম্যাদী ঋণ আৰু (গ) দীৰ্ঘম্যাদী ঋণত শ্ৰেণীবদ্ধ কৰা হয়।

ক) **হ্ৰস্বম্যাদী ঋণ ঃ** এবছৰতকৈ কম সময়ৰ বাবে হ্ৰস্বম্যাদী ঋণ দিয়া হয়। সাধাৰণতে ঋণ লওঁতাৰ / উদ্যোগবোৰৰ কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ইয়াক মঞ্জুৰ কৰা হয়।

খ) মধ্যম্যাদী ঋণ ঃ মধ্যম্যাদী ঋণ ১ বছৰৰ পৰা ৫ বছৰ ম্যাদৰ বাবে মঞ্জুৰ কৰা হয়। ইয়াক সাধাৰণতে বিভিন্ন সঁজুলি আৰু আহিলাপাতি, ট্ৰেক্টৰ, বাহন আদি ক্ৰয় কৰাৰ বাবে মঞ্জুৰ কৰা হয়।

গ) দীৰ্ঘম্যাদী ঋণ ঃ মূলধনী ব্যয়ৰ বাবে দীৰ্ঘম্যাদী ঋণ প্ৰদান কৰা হয়। ইয়াক কাৰখানা নিৰ্মাণ, ভূমি ক্ৰয়, নতুন যন্ত্ৰ-পাতি ক্ৰয় আৰু কাৰাখানাৰ আধুনিকীকৰণৰ বাবে মঞ্জুৰ কৰা হয়।

২) **অধিবিকৰ্ষ ঃ**

অধিবিকৰ্ষ হৈছে এক ঋণ ব্যৱস্থা, যাৰ দ্বাৰা গ্ৰাহক এজনক এক নিৰ্দিষ্ট সীমালৈকে চলিত হিচাবত তেওঁৰ জমা উদ্বৃত্ততকৈ অধিক পৰিমাণৰ ধন উলিয়াবলৈ অনুমতি দিয়া হয়। অধিবিকৰ্ষ হৈছে এক হ্ৰস্বম্যাদী ঋণ ব্যৱস্থা। এইটো সম্পূৰ্ণৰূপে এটা অস্থায়ী ব্যৱস্থা। বেংকাৰসকলে ঋণ লওঁতাৰ আনুষংগিক সুৰক্ষা বা ব্যক্তিগত জামিনৰ বিপৰীতে অধিবিকৰ্ষ প্ৰদান কৰে। ঋণ লওঁতাক তেওঁ বিচৰামতে টকা উলিয়াবলৈ আৰু পৰিশোধ কৰিবলৈ অনুমতি দিয়া হয়।

হিচাবৰ ধাৰকে কেৱল প্ৰকৃততে বেছিকৈ উলিওৱা টকাৰ পৰিমাণৰ ওপৰতহে সূত পৰিশোধ কৰিব লাগিব। আৰু কেৱল যিটো সময়ৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয় সেই সময়ছোৱাৰ বাবেহে সুত প্ৰদান কৰিব লাগিব। অধিবিকৰ্ষ চুক্তিৰ চৰ্তাৱলী অনুসৰি গ্ৰাহকৰ ওপৰত অব্যৱহৃত অধিবিকৰ্ষ সীমাৰ ওপৰত আনুষংগিক মাচুল বা প্ৰতিশ্ৰুত মাচুল (commitment charge) আৰোপ কৰা হ'ব পাৰে।

৩) **নগদ ঋণ ঃ**

নগদ ঋণ হৈছে এক ব্যৱস্থা যাৰ দ্বাৰা বেংকৰ গ্ৰাহক এজনক এক নিৰ্দিষ্ট সীমালৈকে টকা ধাৰ লোৱাৰ অনুমতি দিয়া হয়। এই উদ্দেশ্যৰ বাবে এটা পৃথক হিচাব খোলা হয়। নগদ ঋণ হৈছে এক স্থায়ী ব্যৱস্থা। সাধাৰণতে পৰ্যাপ্ত প্ৰতিভূতিৰ (জামিন, দায়বন্ধক আৰু ব্যক্তিগত জামিন)ৰ বিপৰীতে নগদ ঋণ প্ৰদান কৰা হয়।

গ্ৰাহকে ঋণৰ অনুমোদিত পৰিমাণটো এটা সময়তে উলিওৱাৰ প্ৰয়োজন নাই। তেওঁ যেতিয়াই প্ৰয়োজন হয় এই হিচাবৰ পৰা টকা উলিয়াব পাৰে। তেওঁ এই হিচাবত যিকোনো অতিৰিক্ত পৰিমাণ জমা কৰিব পাৰে আৰু পুনৰ ধাৰ ল'ব পাৰে।

নগদ ঋণত কেৱল আহৰণ কৰা প্ৰকৃত পৰিমাণৰ ওপৰতহে সূত আদায় কৰা হয়। যদি গ্ৰাহকে অনুমোদিত নগদ ঋণ সম্পূৰ্ণৰূপে ব্যৱহাৰ নকৰে, তেতিয়া বেংকৰ দ্বাৰা এক আছুতীয়া / প্ৰতিশ্ৰুত মাচুল লোৱা হয়। এই আছুতীয়া / প্ৰতিশ্ৰুত মাচুল কেৱল নগদ ঋণৰ অব্যৱহৃত অংশৰ ওপৰতহে আৰোপ কৰা হয়।

নগদ ঋণ হৈছে এক সক্ৰিয় আৰু চলমান হিচাব। যদিও নগদ ঋণ সাধাৰণতে এবছৰৰ বাবে অনুমোদিত হয়, ইয়াক বছৰে বছৰে নৱীকৰণ কৰিব পাৰি।

৪) **বিল বাট্টাকৰণ ঃ**

বাণিজ্যিক বেংকে বিনিময় বিলৰ বাট্টাকৰণ কৰিও ঋণ প্ৰদান কৰে। যদি বিলৰ ধাৰক এজনক খুব কম সময়তে পুঁজিৰ প্ৰয়োজন হয়, তেওঁ তেতিয়া তেওঁৰ বিনিময় বিল বাণিজ্যিক বেংকত বাট্টাত ভঙাই ল'ব পাৰে। বিল বাট্টাকৰণৰ বাবে বেংকে দস্তুৰি / কমিছন লয়। বিনিময় বিল কেন্দ্ৰীয় বেংকৰ ওচৰত পুনৰ বাট্টাত ভঙাব পাৰি।

ব্যৱসায় আৰু বাণিজ্যৰ কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ হ্ৰস্বম্যাদী ঋণ প্ৰদানৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হৈছে বিল বাট্টাকৰণ।

৫) **তলবী ঋণ ঃ**

তলবী ঋণ হৈছে এক অতি হ্ৰস্বম্যাদী অগ্ৰিম। সাধাৰণতে তলবী বজাৰত অন্তৰ্ভুক্ত অংশগ্ৰহণকাৰীসকল হৈছে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান, ষ্টক বিনিময় কেন্দ্ৰৰ লেনদেনকাৰী আৰু দালাল ইত্যাদি। এই ঋণ এদিনৰ পৰা ১৪ দিনৰ বাবে দিয়া হয়। এই ঋণ বেংকে অতি কম সময়ৰ জাননীত ঘূৰাই বিচাৰিব পাৰে। তলবী ঋণত সূতৰ

হাৰ তুলনামূলকভাৱে বহুত বেছি। দালাল, লেনদেনকাৰী আদিক তেওঁলোকৰ আমানত প্ৰতিভূতি যেনে সমাংশ, ঋণপত্ৰ আদিৰ বিপৰীতে এই ঋণ দিয়া হয়।

৬) **উপভোক্তা ঋণ ঃ**

উপভোক্তা ঋণ হৈছে এক প্ৰকাৰৰ ম্যাদী ঋণ। ইয়াক মূলতঃ বেংকে টি. ভি, ৱাছিং মেচিন, এয়াৰ কুলাৰ, এয়াৰ কণ্ডিচনাৰ আৰু আন কিছুমান ঘৰুৱা সামগ্ৰী ক্ৰয় কৰাৰ বাবে গ্ৰাহকক প্ৰদান কৰে। ইয়াৰ উপৰিও ইয়াক কিছুমান ব্যক্তিগত প্ৰয়োজনীয়তাৰ বাবেও, যেনে— চিকিৎসা বিল আৰু অন্যান্য ঘৰুৱা দেনা পৰিশোধৰ বাবে মঞ্জুৰ কৰা হয়। এই ঋণ একমুঠ আধাৰত প্ৰদান কৰা হয় যিটো কম সময়ৰ ভিতৰত কিস্তিত পৰিশোধ কৰিব পাৰি। সেয়েহে এইটো এটা হ্ৰস্বম্যাদী ঋণ।

**ৱাণিজ্যিক বেংকৰ গৌণ কাৰ্যসমূহ ঃ**

বাণিজ্যিক বেংকৰ গৌণ কাৰ্য / সেৱাসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি—

১) প্ৰতিনিধিত্বমূলক কাৰ্য বা সেৱা।

২) সাধাৰণ উপযোগিতা বা ৰাজহুৱা উপযোগিতা সেৱা।

১) **ৱাণিজ্যিক বেংকৰ প্ৰতিনিধিত্বমূলক সেৱাসমূহ ঃ**

বাণিজ্যিক বেংকে ইয়াৰ গ্ৰাহকৰ বাবে আৰু গ্ৰাহকৰ হৈ কিছুমান প্ৰতিনিধিত্বমূলক সেৱা আগবঢ়ায়। সাধাৰণতে বেংকে প্ৰদান কৰা কিছুমান গুৰুত্বপূৰ্ণ প্ৰতিনিধিত্বমূলক সেৱা তলত উল্লেখ কৰা হ'ল—

**ক) পুঁজি প্ৰেৰণ আৰু পুঁজিৰ স্থানান্তৰ ঃ**

বেংকে তেওঁলোকৰ গ্ৰাহকসকলক এটা ঠাইৰ পৰা আন ঠাইলৈ বা এটা হিচাবৰ পৰা আন এটা হিচাবলৈ পুঁজি স্থানান্তৰ কৰাত সহায় কৰে। চেক, ড্ৰাফ্ট, মেইল ট্ৰেন্সফাৰ বা টেলিগ্ৰাফিক ট্ৰেন্সফাৰ বা পুঁজি স্থানান্তৰৰ আন যিকোনো আধুনিক কৌশলৰ জৰিয়তে পুঁজি স্থানান্তৰ কৰা হয়। বেংকবোৰে এনে ধৰণৰ প্ৰতিনিধিত্বমূলক সেৱা প্ৰদান কৰাৰ বাবে গ্ৰাহকৰ পৰা নিম্নতম সেৱা মাচুল বা মাচুল আদায় কৰে।

**খ) গ্ৰাহকৰ হৈ পৰিশোধ কৰা ঃ**

গ্ৰাহকৰ নিৰ্দেশনা অনুসৰি বেংকে বিভিন্ন ধৰণৰ পৰিশোধ কৰে যেনে বিদ্যুতৰ বিল পৰিশোধ, পৌৰসভা কৰ পৰিশোধ, কুপন, ড্ৰাফ্ট, প্ৰতিশ্ৰুতি পত্ৰ, সূত, ভাড়া, বীমা প্ৰিমিয়াম, লভ্যাংশ অধিপত্ৰ ইত্যাদি পৰিশোধ কৰে।

**গ) চেক সংগ্ৰহ ইত্যাদি ঃ**

বেংকে প্ৰদান কৰা আন এক গুৰুত্বপূৰ্ণ প্ৰতিনিধিত্বমূলক কাৰ্য হৈছে গ্ৰাহকৰ হৈ চেক আৰু অন্যান্য হস্তান্তৰযোগ্য দলীল সংগ্ৰহ কৰা আৰু তেওঁলোকৰ হিচাবত উপাৰ্জনবোৰ জমা কৰা।

**ঘ) ষ্টক, প্ৰতিভূতি আদি ক্ৰয় আৰু বিক্ৰী ঃ**

বেংকবোৰে বিদেশী বেংক নোটসহ অংশ, ষ্টক, অন্যান্য প্ৰতিভূতি, বৈদেশিক মুদ্ৰা ক্ৰয় আৰু বিক্ৰী কৰাৰ দায়িত্ব লয়। তদুপৰি, গ্ৰাহকৰ নিৰ্দেশনা অনুসৰি বেংকবোৰে বিভিন্ন বিনিয়োগ আঁচনিৰ অধীনত পাৰস্পৰিক পুঁজিৰ (Mutual Fund) বিভিন্ন একক ক্ৰয় আৰু বিক্ৰী কৰে। এই সকলোবোৰ নামমাত্ৰ মাচুলৰ বিপৰীতে গ্ৰাহকৰ নিৰ্দেশনা অনুসৰি সম্পাদন কৰা হয়।

**ঙ) ন্যাসৰক্ষী, কাৰ্যপালক আদি হিচাপে কাম কৰা ঃ**

ন্যাসৰক্ষী হিচাপে বাণিজ্যিক বেংকে গ্ৰাহকৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণ কৰে। বেংকে ন্যাসৰ প্ৰশাসনিক কাৰ্যতো সহায় কৰে। কাৰ্যপালক (Executor) হিচাপে বেংকে ইয়াৰ গ্ৰাহকৰ 'ইচ্ছাপত্ৰ' (Will) সংৰক্ষণ কৰে আৰু গ্ৰাহকৰ মৃত্যুৰ পিছত ইয়াক কাৰ্যকৰীকৰণ কৰে।

**চ) অন্যান্য প্ৰতিনিধিত্বমূলক সেৱাসমূহ ঃ**

ওপৰোক্ত কাৰ্যবোৰৰ উপৰিও বাণিজ্যিক বেংকে গ্ৰাহকসকলক আয়কৰ গণনা, কৰ পৰিশোধ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক কৰ প্ৰবিদেন দাখিল সম্পৰ্কীয় বিষয়বোৰৰ ওপৰত কিছুমান মূল্যৱান পৰামৰ্শ প্ৰদান কৰে। তদুপৰি বেংকসমূহে তেওঁৰ গ্ৰাহকসকলৰ বিত্তীয় উপদেষ্টা হিচাপে কাম কৰে।

২) **বাণিজ্যিক বেংকৰ সাধাৰণ উপযোগিতা কাৰ্য / সেৱা ঃ**

প্ৰতিনিধিত্বমূলক সেৱাৰ উপৰিও আধুনিক বাণিজ্যিক বেংকে বিভিন্ন ধৰণৰ সাধাৰণ উপযোগিতা সেৱা আগবঢ়ায়। সেইবোৰ হ'ল—

**ক) সুৰক্ষিত জমা লকাৰ সুবিধা ঃ**

গ্ৰাহকক লকাৰৰ সুবিধা প্ৰদান কৰাটো হৈছে বাণিজ্যিক বেংকৰ দ্বাৰা প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ উপযোগিতা সেৱা। বেংকবোৰে গ্ৰাহকৰ মূল্যৱান সামগ্ৰীবোৰ সুৰক্ষিত জিম্মাত ৰাখিবলৈ লকাৰ বা সুৰক্ষা ভল্টৰ এই সুবিধা প্ৰদান কৰে।

এই সুবিধাৰ অধীনত বেংকবোৰে গ্ৰাহকসকলক এক বা একাধিক লকাৰ বাকচ ভাড়াত বা মাচুল পৰিশোধৰ বিপৰীতে প্ৰদান কৰে। লকাৰ বাকচটো খুলিবলৈ দুটা চাবি থাকে। এটা চাবি গ্ৰাহকৰ সৈতে আৰু আনটো বেংকৰ সৈতে থাকে। যদিহে চাবি দুটা ব্যৱহাৰ কৰা হয় তেন্তে লকাৰ বাকচটো খুলিব পাৰি।

**খ) মূল্যৱান সামগ্ৰীৰ সুৰক্ষিত জিম্মা ঃ**

সুৰক্ষিত জমা লকাৰ সুবিধাৰ উপৰিও মূল্যৱান সামগ্ৰীৰ সুৰক্ষিত জিম্মাৰ সেৱাও প্ৰদান কৰে। এই সুবিধাৰ অধীনত, গ্ৰাহকে কিছুমান মূল্যৱান সামগ্ৰী/ নথিপত্ৰ যেনে হস্তান্তৰযোগ্য দলীল, প্ৰতিভূতিপত্ৰ, গৰাকীস্বত্বৰ শীৰ্ষক নথিপত্ৰ, ইচ্ছাপত্ৰ, ন্যাসদলীল আদি বেংকক হস্তান্তৰ কৰিব পাৰে।

এই মূল্যৱান নথিপত্ৰ / সামগ্ৰীবোৰ ৰখাৰ বাবে বেংকে গ্ৰাহকৰ পৰা মাচুল লয়। সুৰক্ষিত ৰখা সামগ্ৰীৰ সুৰক্ষিত ৰখা সময়ৰ আৰু মূল্যৰ ওপৰত মাচুল নিৰ্ভৰ কৰে।

**গ) উপহাৰ চেক জাৰী ঃ**

বেংকে উপহাৰ চেক জাৰী কৰাটো এক গুৰুত্বপূৰ্ণ ৰাজহুৱা উপযোগিতা সেৱা। পৱিত্ৰ অনুষ্ঠানত উপহাৰ দিয়াৰ বাবে এই চেক বেংকে বিভিন্ন মূল্যত জাৰী কৰে।

**ঘ) প্ৰত্যয় পত্ৰ জাৰী কৰা ঃ**

প্ৰত্যয় পত্ৰ হৈছে গ্ৰাহকৰ ঋণযোগ্যতা সম্পৰ্কে বেংকাৰে ইয়াৰ গ্ৰাহকক জাৰী কৰা এখন নথি। এই নথিখন সাধাৰণতে বৈদেশিক বাণিজ্যত ব্যৱহাৰ কৰা হয়।

**ঙ) পৰিসংখ্যা সংগ্ৰহ আৰু যোগান ঃ**

উপযোগিতা সেৱাৰ অংশ হিচাপে, বাণিজ্যিক বেংকবোৰে বেপাৰ, বাণিজ্য আৰু উদ্যোগ সম্পৰ্কীয় বিভিন্ন তথ্য আৰু পৰিসংখ্যা সংগ্ৰহ আৰু প্ৰকাশ কৰে। বেংকে গ্ৰাহকসকলক বিকাশ আৰু উন্নয়ন, আধুনিকীকৰণ, ব্যৱসায়ৰ বৈচিত্ৰতা সম্পৰ্কীয় বিত্তীয় বিষয়ত পৰামৰ্শ দিয়ে।

**চ) অংশপত্ৰ, ঋণপত্ৰ আদিৰ অৱলেখন ঃ**

বেংকবোৰে বিভিন্ন কোম্পানী আৰু চৰকাৰী সংস্থাৰ মূলধন বিলিৰ অৱলেখনকাৰী হিচাপে কাম কৰে। বাণিজ্যিক বেংকবোৰে নিগম নিকায় সমূহৰ মূলধন সংগ্ৰহ কৰিবলৈ অৱলেখনকাৰী হিচাপে কোম্পানীবোৰৰ অংশপত্ৰ, ঋণপত্ৰ ক্ৰয় আৰু বিক্ৰী কৰে। বেংকে অৱলেখনকাৰী হিচাপে সেৱা সম্পাদন কৰাৰ বিপৰীতে এক নিৰ্দিষ্ট পৰিমাণৰ দস্তুৰি / কমিছন লয়।

**ছ) ৰেফাৰী হিচাপে কাম কৰা ঃ**

বেংকে তেওঁলোকৰ গ্ৰাহকৰ বিত্তীয় স্থিতি, ব্যৱসায়িক সুনাম আৰু সন্মানযোগ্যতাৰ বিষয়ে ৰেফাৰী হিচাপে দেশী আৰু বিদেশী ব্যৱসায়ীসকলক তথ্য প্ৰদান কৰে।

**বাণিজিক বেংকৰ আধুনিক কাৰ্য / সেৱাসমূহ ঃ**

পৰম্পৰাগত কাৰ্য সম্পাদন কৰাৰ উপৰিও এটা বাণিজ্যিক বেংকে বিভিন্ন ধৰণৰ আধুনিক কাৰ্য / সেৱা আগবঢ়ায়। সাধাৰণতে বাণিজ্যিক বেংকৰ দ্বাৰা সম্পাদন কৰা কিছুমান গুৰুত্বপূৰ্ণ আধুনিক কাৰ্য তলত উল্লেখ কৰা হ'ল।

**ক) স্বয়ংক্ৰিয় টেলাৰ মেচিন (এটিএম) তথা ডেবিট কাৰ্ড**

স্বয়ংক্ৰিয় টেলাৰ মেচিন হৈছে এক কম্পিউটাৰাইজড টেলিকমিউনিকেচন ডিভাইচ। ই বেংকৰ গ্ৰাহকসকলক তেওঁলোকৰ ধন উলিওৱা আৰু জমা কৰাৰ সুবিধা প্ৰদান কৰে। আধুনিক এটিএমবোৰে গ্ৰাহকক চুম্বকীয় ষ্ট্ৰিপ থকা এটা প্লাষ্টিকৰ এটিএম কাৰ্ডৰ জৰিয়তে বা চিপ থকা প্লাষ্টিকৰ স্মাৰ্টকাৰ্ডৰ জৰিয়তে চিনাক্ত কৰে।

প্ৰায় সকলো বেংকে তেওঁলোকৰ গ্ৰাহকসকলক কোনো অপেক্ষাৰ সময় অবিহনে নগদ ধন উলিয়াবলৈ আৰু জমা কৰাত সহায় কৰিবলৈ এটিএম প্ৰৱৰ্তন কৰিছে। বেংকৰ ডেবিট আৰু ক্ৰেডিট কাৰ্ড ধাৰকসকলে যিকোনো সময়তে এটিএমৰ পৰা তাৎক্ষণিকভাৱে নগদ ধন উলিয়াব পাৰে।

**খ) ক্ৰেডিট কাৰ্ডৰ সুবিধা**

ক্ৰেডিট কাৰ্ড হৈছে এক প্লাষ্টিক মুদ্ৰা যি জমা দলীল হিচাপে কাম কৰে আৰু ই কাগজৰ মুদ্ৰাৰ ঠাই লয়। ক্ৰেডিট কাৰ্ড ধাৰকে ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি বিভিন্ন কৰ্তৃত্বপ্ৰাপ্ত লেনদেনকাৰীৰ পৰা সামগ্ৰী ক্ৰয় কৰিব পাৰে। ক্ৰেডিট কাৰ্ড ধাৰকে কোনো লেনদেনৰ বাবে নগদ ধন কঢ়িয়াই নিয়াৰ প্ৰয়োজন নাই।

ক্ৰেডিট কাৰ্ড ধাৰকে সমগ্ৰ দেশত বেংকৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা এটিএমৰ পৰা এক নিৰ্দিষ্ট সীমালৈকে নগদ ধন উলিয়াব পাৰে। নিৰ্দিষ্ট কিছুমান ব্যৱধানৰ পিছত গ্ৰাহকসকলে বকেয়া উদ্বৃত্তৰ ওপৰত সূতৰ সৈতে বেংকক কিছুমান সেৱা মাচুল পৰিশোধ কৰিব লাগিব।

**গ) SWIFT বাৰ্তাৰ সুবিধা**

SWIFT বাৰ্তাৰ পদ্ধতিৰ দ্বাৰা পুঁজি প্ৰেৰণ কৰিব পাৰি। SWIFTৰ অৰ্থ হৈছে 'Society for Worldwide Inter-bank Financial Telecommunication'। এখন দেশৰ পৰা আন এখন

দেশলৈ পুঁজি স্থানান্তৰ SWIFT বাৰ্তাৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে যি গ্ৰাহকৰ বাবে দ্ৰুত/কমসময় খৰচী (Prompt) আৰু ব্যয়সাপেক্ষ।

**ঘ) মেইল আৰু টেলিগ্ৰাফিক স্থানান্তৰ**

বেংকৰ গ্ৰাহকৰ মেইল ট্ৰেন্সফাৰ বা টেলিগ্ৰাফিক ট্ৰেন্সফাৰৰ জৰিয়তে এঠাইৰ পৰা আন ঠাইলৈ ধন স্থানান্তৰ কৰাৰ সুবিধা আছে।

এই প্ৰক্ৰিয়াটোত গ্ৰাহকে বেংকক নামমাত্ৰ দস্তুৰি/কমিছনৰ বাবে একেটা বেংকত বিভিন্ন স্থানত ৰখা হিচাবৰ উদ্বৃত্তৰ পৰা প্ৰাপকৰ হিচাবত এটা অংশ স্থানান্তৰ কৰিবলৈ অনুৰোধ কৰে। গ্ৰাহকৰ পৰা নিৰ্দেশনা পোৱাৰ পিছত বেংক বিষয়াই গ্ৰাহকৰ নিৰ্দেশনা অনুসৰি প্ৰাপকৰ হিচাবত নিৰ্দিষ্ট পৰিমাণৰ ধন জমা কৰিবলৈ মেইল টেলিগ্ৰামৰ জৰিয়তে সংশ্লিষ্ট বেংক মেনেজাৰলৈ পৰামৰ্শ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে।

**ঙ) টেলি বেংকিং সেৱাসমূহ**

এইটো গ্ৰাহকসকলক বেংকিং সেৱা প্ৰদান কৰাৰ এটা পদ্ধতি। এই পদ্ধতিৰ অধীনত সাধাৰণতে যিকোনো স্থানত আৰু যিকোনো সময়তে ফোনযোগে অনা-নগদ সম্পৰ্কীয় বেংকিং সেৱা সম্পাদন কৰা হয়। টেলি বেংকিং সেৱা প্ৰদান কৰাৰ বাবে স্বয়ংক্ৰিয় ভইচ ৰেকৰ্ডাৰ (Automatic Voice Recorders) বা আই ডি (ID) নম্বৰ ব্যৱহাৰ কৰা হয়।

**চ) চমু বাৰ্তা সেৱা** (Short Messaging Service)

ই হৈছে এক মোবাইল প্ৰয়োগ আধাৰিত বেংকিং সেৱা। এই সেৱাৰ অধীনত বেংকবোৰে সেই হিচাবৰ সৈতে পঞ্জীভুক্ত ম'বাইল নম্বৰৰ জৰিয়তে বেংকিং লেনদেন হোৱাৰ ঠিক পিছতে হিচাবৰ ধাৰকলৈ মানক পাঠ বাৰ্তা (standard text message) প্ৰেৰণ কৰে। এই সেৱাৰ বাবে বেংকে বছৰি নামমাত্ৰ মাচুল আদায় কৰে।

**ছ) ইণ্টাৰনেট বেংকিং**

ইণ্টাৰনেট বেংকিং হৈছে গ্ৰাহকসকলক বেংকিং সেৱাৰ বৈদ্যুতিন (electronic) বিতৰণৰ এক মঞ্চ। ইণ্টাৰনেটে এটা মাউচৰ ক্লিকত বেংকিং সেৱাৰ সুবিধা পোৱাত সহায় কৰিছে। ইণ্টাৰনেট বেংকিং সুবিধাৰ জৰিয়তে গ্ৰাহকে যিকোনো স্থানৰ পৰা আৰু যিকোনো সময়তে বিভিন্ন বেংকিং সেৱা লাভ কৰিব পাৰে। কিছুমান ইণ্টাৰনেট সেৱা তলত উল্লেখ কৰা হ'ল।

**১) ব্যক্তিগত আৰু কৰ্পোৰেট ইণ্টাৰনেট বেংকিং**

ব্যক্তিগত ইণ্টাৰনেট বেংকিংয়ে গ্ৰাহকক বেংকিং লেনদেনৰ বাবে যিকোনো সময়তে আৰু যিকোনো স্থানত বেংক হিচাবত অনলাইন প্ৰৱেশাধিকাৰ প্ৰাপ্ত কৰিবলৈ প্ৰেৰিত কৰে। একেদৰে কৰ্পোৰেট ইণ্টাৰনেট বেংকিংয়ে অনলাইন পুঁজি স্থানান্তৰ, বাণিজ্য বিত্ত ব্যৱস্থাপনা, পুঁজি ব্যৱস্থাপনা, অতুলনীয় (unmatched) লাভালাভৰ সৈতে বিশ্বব্যাপী প্ৰৱেশাধিকাৰ আদিৰ সুবিধা প্ৰদান কৰে।

**২) বৈদ্যুতিন পৰিশোধ আৰু বৈদ্যুতিন পুঁজি স্থানান্তৰ** (EFT)

ইণ্টাৰনেট বেংকিংয়ে বৈদ্যুতিন পৰিশোধ সেৱাত গ্ৰাহকসকলক কাগজবিহীন ৰূপত পুঁজিৰ দ্ৰুত চলাচলৰ বাবে সুবিধা প্ৰদান কৰে। ইণ্টাৰনেট বেংকিংয়ে বৈদ্যুতিন মাধ্যম ব্যৱহাৰ কৰি পুঁজিৰ দ্ৰুত স্থানন্তৰ নিশ্চিত কৰাৰ বাবে বৈদ্যুতিন পুঁজি স্থানান্তৰ (ইএফটি)ত সহায় কৰে।

৩) RTGS / NEFT **সেৱা**

অনলাইন Real Time Gross Settlement (RTGS) বা National Electronic Fund Transfer (NEFT)ৰ সহায়ত একেদিনাই বিভিন্ন স্থানত এটা বেংকৰ পৰা আন এটা বেংকলৈ গ্ৰাহকৰ দ্বাৰা নিজে পুঁজিৰ খৰতকীয়া স্থানান্তৰ কৰা সম্ভৱ হৈছে।

**৪) অনলাইন শ্বপিং আৰু বিল পৰিশোধ ইত্যাদি**

অনলাইন বজাৰৰ সেৱাই গ্ৰাহকসকলক অনলাইন পৰিশোধ কৰি হোটেল বুক কৰা, উপহাৰ কিনা, অনলাইন কিতাপ কিনা আৰু বহুতো কাৰ্যকলাপ সম্পাদন কৰাত সহায় কৰে। এতিয়া গ্ৰাহকসকলে বিভিন্ন ধৰণৰ বিল পৰিশোধ কৰিবলৈ শাৰী পাতি থকাৰ প্ৰয়োজন নাই। গ্ৰাহকসকলে এতিয়া তেওঁলোকৰ কম্পিউটাৰৰ পৰা তেওঁলোকৰ টেলিফোন বিল, ম'বাইল বিল, বিদ্যুতৰ বিল, বীমা প্ৰিমিয়াম আৰু আন প্ৰকাৰৰ বিল যিকোনো সময়তে আৰু যিকোনো স্থানত পৰিশোধ কৰিব পাৰে।

——

## সাৰাংশ

- **বাণিজ্যিক বেংক—**

বাণিজ্যিক বেংকে বিত্তীয় প্ৰতিষ্ঠানক বুজায় যি ঋণ বা বিনিয়োগৰ উদ্দেশ্যে, জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদা মতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক, ড্ৰাফট, আদেশ বা অন্য উপায়ে তাক উলিয়াই দিয়া কাৰ্য সম্পাদন কৰে। ই পুঁজিৰ উদ্বৃত্ত ক্ষেত্ৰৰ পৰা সঞ্চয় সংগ্ৰহ কৰে আৰু এই পুঁজিবোৰ ঘাটি ক্ষেত্ৰলৈ ঋণ হিচাপে আগবঢ়ায়।

- **বাণিজ্যিক বেংকৰ কাৰ্যসমূহ/ সেৱাসমূহ—**

বাণিজ্যক বেংকৰ বিভিন্ন কাৰ্যসমূহ নিম্নলিখিত শিতানৰ অধীনত আলোচনা কৰা হ'ল।

ক) প্ৰাথমিক কাৰ্যসমূহ

খ) গৌণ কাৰ্যসমূহ আৰু

গ) আধুনিক কাৰ্যসমূহ।

- **বাণিজ্যিক বেংকৰ প্ৰাথমিক কাৰ্যসমূহ—**

১) **আমানত গ্ৰহণ কৰা / ধন জমা গ্ৰহণ কৰা ঃ**

বেংকৰ জমাবোৰ মুখ্যতঃ দুটা শ্ৰেণীত শ্ৰেণীবদ্ধ কৰা হৈছে —

**সাধনি / তাগিদা জমা**— (ক) সঞ্চয়ী বেংক জমা (খ) চলিত জমা হিচাব

**ম্যাদী জমা**— (ক) পৌনঃপুনিক জমা (খ) স্থায়ী জমা

**সঞ্চয়ী বেংক হিচাব ঃ**

সঞ্চয়ী বেংক হিচাব মুখ্যতঃ ক্ষুদ্ৰ পৰিসৰৰ সঞ্চয়কাৰীসকলৰ বাবে। সঞ্চয়ী বেংক হিচাবৰ গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে মানুহৰ সঞ্চয়ৰ অভ্যাসক উৎসাহিত কৰা।

**চলিত জমা হিচাব ঃ**

চলিত জমা হিচাব সাধাৰণতে ব্যৱসায়ী, ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান, কোম্পানী, উদ্যোগী, পেছাদাৰী,

ঠিকাদাৰ, অনুষ্ঠান, চৰকাৰী সংস্থা / বিভাগ, সমিতি, অৰসায়ক, ন্যাস আদিৰ দ্বাৰা খোলা হয়। এইটো এটা চলমান হিচাব। এই হিচাবত যিকোনো সময়তে টকা জমা আৰু উলিয়াব পাৰি।

**পৌনঃপুনিক জমা হিচাব ঃ**

পৌনঃপুনিক জমা হিচাবত এক নিৰ্দিষ্ট ম্যাদৰ বাবে নিৰ্দিষ্ট ব্যৱধানত গ্ৰাহকে এক নিৰ্দিষ্ট পৰিমাণৰ সঞ্চয় / ধন বাধ্যতামূলকভাৱে জমা কৰিব লাগিব।

**স্থায়ী জমা হিচাব ঃ**

স্থায়ী জমা হিচাবত বেংকে এক নিৰ্দিষ্ট সময়ৰ বাবে আমানত গ্ৰহণ কৰে। জমাৰ সময়সীমা ৪৫ দিন, ৯০ দিন, ১৮০ দিন, ১ বছৰ, ৫ বছৰ ইত্যাদি হ'ব পাৰে।

২) **ঋণ আৰু অগ্ৰিম মঞ্জুৰ কৰা ঃ**

গ্ৰাহকক ঋণ দিয়াৰ বিভিন্ন পদ্ধতি বা উপায় আছে—

**ঋণ ঃ**

ঋণ হৈছে এক সন্মত সাপেক্ষ সূতৰ হাৰত এক নিৰ্দিষ্ট ম্যাদৰ বাবে গ্ৰাহকক বেংকে অনুমোদন জনোৱা একমুঠ অগ্ৰিমৰ পৰিমাণ। ঋণৰ ক্ষেত্ৰত গোটেই পৰিমাণটো এবাৰত আদায় দিয়া হয়।

ঋণক (ক) হ্ৰস্বম্যাদী ঋণ, (খ) মধ্যম্যাদী ঋণ আৰু (গ) দীৰ্ঘম্যাদী ঋণত শ্ৰেণীবদ্ধ কৰা হয়।

**অধিবিকৰ্ষ ঃ**

অধিবিকৰ্ষ হৈছে এক ঋণ ব্যৱস্থা, যাৰ দ্বাৰা গ্ৰাহক এজনক এক নিৰ্দিষ্ট সীমালৈকে চলিত হিচাবত তেওঁৰ জমা উদ্বৃত্তকৈ অধিক পৰিমাণৰ ধন উলিয়াবলৈ অনুমতি দিয়া হয়।

**নগদ ঋণ ঃ**

নগদ ঋণ হৈছে এক ব্যৱস্থা যাৰ দ্বাৰা বেংকৰ গ্ৰাহক এজনক এক নিৰ্দিষ্ট সীমালৈকে টকা ধাৰ লোৱাৰ অনুমতি দিয়া হয়। এই উদ্দেশ্যৰ বাবে এটা পৃথক হিচাব খোলা হয়।

**বিল বাট্টাকৰণ ঃ**

বাণিজ্যিক বেংকে বিনিময় বিলৰ বাট্টাকৰণ কৰিও ঋণ প্ৰদান কৰে। যদি বিলৰ ধাৰক এজনক খুব কম সময়তে পুঁজিৰ প্ৰয়োজন হয়, তেওঁ তেতিয়া তেওঁৰ বিনিময় বিল বাণিজ্যিক বেংকত বাট্টাত ভঙাই ল'ব পাৰে। বিল বাট্টাকৰণৰ বাবে বেংকে দস্তুৰি / কমিছন লয়।

**তলবী ঋণ ঃ**

তলবী ঋণ হৈছে এক অতি হ্ৰস্বম্যাদী অগ্ৰিম। সাধাৰণতে এই বজাৰত অন্তৰ্ভুক্ত অংশগ্ৰহণকাৰীসকল হৈছে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান, ষ্টক বিনিময় কেন্দ্ৰৰ লেনদেনকাৰী আৰু দালাল ইত্যাদি। এই ঋণ এদিনৰ পৰা ১৪ দিনৰ বাবে দিয়া হয়।

**উপভোক্তা ঋণ ঃ**

উপভোক্তা ঋণ হৈছে এক প্ৰকাৰৰ ম্যাদী ঋণ। ইয়াক মূলতঃ বেংকে টি. ভি, ৱাছিং মেচিন, এয়াৰ কুলাৰ, এয়াৰ কণ্ডিচনাৰ আৰু আন কিছুমান ঘৰুৱা সামগ্ৰী ক্ৰয় কৰাৰ বাবে গ্ৰাহকক প্ৰদান কৰে।

- **বাণিজ্যিক বেংকৰ গৌণ কাৰ্যসমূহ ঃ**

বাণিজ্যিক বেংকৰ গৌণ কাৰ্য / সেৱাসমূহক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি—

১) প্ৰতিনিধিত্বমূলক কাৰ্য বা সেৱা।

২) সাধাৰণ উপযোগিতা বা ৰাজহুৱা উপযোগিতা সেৱা।

**বাণিজ্যিক বেংকৰ প্ৰতিনিধিত্বমূলক সেৱাসমূহ—**

ক) পুঁজি প্ৰেৰণ আৰু পুঁজিৰ স্থানান্তৰ।

খ) গ্ৰাহকৰ হৈ পৰিশোধ কৰা।

গ) চেক সংগ্ৰহ ইত্যাদি।

ঘ) ষ্টক, প্ৰতিভূতি আদি ক্ৰয় আৰু বিক্ৰী।

ঙ) ন্যাসৰক্ষী, কাৰ্যপালক আদি হিচাপে কাম কৰা।

চ) অন্যান্য প্ৰতিনিধিত্বমূলক সেৱাসমূহ।

**বাণিজ্যিক বেংকৰ সাধাৰণ উপযোগিতা কাৰ্য / সেৱা—**

ক) সুৰক্ষিত জমা লকাৰ সুবিধা।

খ) মূল্যৱান সামগ্ৰীৰ সুৰক্ষিত জিম্মা।

গ) উপহাৰ চেক জাৰী।

ঘ) প্ৰত্যয় পত্ৰ জাৰী কৰা।

ঙ) পৰিসংখ্যা সংগ্ৰহ আৰু যোগান।

চ) অংশপত্ৰ, ঋণপত্ৰ আদিৰ অৱলেখন।

ছ) ৰেফাৰী হিচাপে কাম কৰা।

➢ **বাণিজিক বেংকৰ আধুনিক কাৰ্য / সেৱাসমূহ—**

ক) স্বয়ংক্ৰিয় টেলাৰ মেচিন (এটিএম) তথা ডেবিট কাৰ্ড।

খ) ক্ৰেডিট কাৰ্ডৰ সুবিধা ।

গ) SWIFT বাৰ্তাৰ সুবিধা।

ঘ) মেইল আৰু টেলিগ্ৰাফিক স্থানান্তৰ।

ঙ) টেলি বেংকিং সেৱাসমূহ।

চ) চমু বাৰ্তা সেৱা (Short Messaging Service)।

ছ) **ইণ্টাৰনেট বেংকিং—** ১) ব্যক্তিগত আৰু কৰ্পোৰেট ইণ্টাৰনেট বেংকিং।

২) ইলেক্ট্ৰনিক পৰিশোধ আৰু ইলেক্ট্ৰনিক পুঁজি স্থানান্তৰ (EFT)।

৩) RTGS / NEFT সেৱা।

৪) অনলাইন শ্বপিং আৰু বিল পৰিশোধ ইত্যাদি।

——